## চুটিগল্প হিচাপে নদৰাম

'জোনাকী' যুগৰ চুটিগল্পসমূহৰ ভিতৰত শৰৎ চন্দ্ৰ গোস্বামীৰ 'নদৰাম' এটি অন্যতম জনপ্ৰিয় চুটিগল্প। চুটিগল্পৰ বৈশিষ্ট্যবোৰৰ আধাৰত বিশ্লেষণ কৰি চালেও 'নদৰাম' এটি সফল চুটিগল্প বুলিয়ে ক'ব পাৰি। জোনাকী যুগৰ সৰহভাগ চুটিগল্পই আছিল কাহিনীমূলক। আনকি বেজবৰুৱা বা শৰৎ চন্দ্ৰ গোস্বামীৰ যি দুই-এটা চৰিত্ৰ প্ৰধান চুটি গল্প আছে, সেইবোৰো কাহিনীৰ মাধ্যমেদিয়ে প্ৰকাশ পোৱা দেখা যায়। বেজবৰুৱাৰ 'পাতমুগী', 'ভদৰী' আদি চুটিগল্পৰ দৰেই গোস্বামীৰ 'সুধা', 'তৰা' বা 'নদৰাম'ৰ চাৰিত্ৰিক বৈশিষ্ট্য মূলতঃ কাহিনীৰ মাজেদিয়ে প্ৰকাশিত হৈছে। 'নদৰাম' এটি চৰিত্ৰ প্ৰধান চুটিগল্প। গল্পটোৰ নায়ক বা কেন্দ্ৰীয় চৰিত্ৰ নদৰামৰ ব্যক্তিত্বৰ সবলতা তথা মানবীয়তা দাঙি ধৰাই গল্পটোৰ মুখ্য উদ্দেশ্য। চুটিগল্পৰ নামকৰণ সাধাৰণতে তিনিটা দিশৰ পৰা কৰা হয়— (১) কেন্দ্ৰীয় ভাব, (২) মুখ্য চৰিত্ৰৰ নাম আৰু (৩) কথাবস্তুৰ ইংগিত। সেই পিনৰ পৰা গল্পটিৰ নামকৰণ মুখ্য চৰিত্ৰৰ নামেৰে কৰা দেখা গৈছে।

চুটিগল্প এবিধ বাস্তৱধৰ্মী সাহিত্য। বাস্তৱ জগতৰ লগত সামঞ্জস্য থকা ঘটনা কল্পনাৰ আশ্ৰয়ত ইয়াত শিল্পসন্মতভাৱে দাঙি ধৰা হয়। অৱশ্যে অলৌকিক ঘটনায়েও চুটিগল্পত স্থান পাব পাৰে, কিন্তু উপযুক্ত পৰিৱেশ ৰচনাৰে তাক বিশ্বাসযোগ্য ৰূপত

পাঠকৰ আগত দাঙি ধৰিব পাৰিব লাগিব। গতিকে, বিশ্বাসযোগ্য কাহিনী চুটিগল্পৰ এটি অন্যতম বৈশিষ্ট্য। 'নলবাম' গল্পৰ কথাবস্তু বাস্তৱৰ আধাৰত ৰচিত। বিশ্বযুদ্ধৰ সময়ত সৈনিক হিচাপে যুদ্ধত ব্যস্ত থকা নলবামৰ ঘৈণীয়েক আনৰ লগত পলাই যোৱাত, ঘৈণীয়েকক পুনৰ ঘূৰাই আনিবলৈ লোৱা প্ৰচেষ্টাৰ এটি পৰিচিত কথাবস্তুৰ মাজেৰে কাহিনীটো ৰচনা কৰা হৈছে। লোকজীৱনত এনেকুৱা ঘটনা অবিদিত নহয়। গল্পৰ পৰিসমাপ্তিৰ যোগেদি 'নলবাম' চৰিত্ৰটিৰ এটি সবল দিশ গল্পকাৰে দাঙি ধৰিবলৈ সক্ষম হৈছে।

চুটিগল্পৰ কাহিনী বা চৰিত্ৰৰ বিকাশৰ ক্ষেত্ৰত গল্পকাৰসকলে প্ৰায়ে অৱলম্বন কৰা এটা বাস্তৱসন্মত কৌশল হৈছে দ্বন্দ্বৰ কল্পায়ন। দ্বন্দ্ব দুই প্ৰকাৰৰ— অন্তৰ্দ্বন্দ্ব আৰু বহিৰ্দ্বন্দ্ব। দ্বন্দ্বৰ সহায়ত কাহিনীৰ আৰম্ভণি ঘটাই উৎকণ্ঠা সৃষ্টিৰে তাক বিকশিত কৰি পৰিণতিৰ পিনে আগবঢ়াই নিয়া হয়। দ্বন্দ্ব যিমানে বাস্তৱসন্মত তথা বিশ্বাসযোগ্য হয়, পাঠকৰ মন সিমানে গল্পৰ কথাবস্তুৰ মাজত সোমাই যায়। দ্বন্দ্ব বা সংঘাতৰ প্ৰয়োগ— গোস্বামীৰ গল্পৰ অন্যতম বিশেষত্ব। এই ক্ষেত্ৰত হোমেন বৰগোহাঞিৰ মন্তব্য প্ৰণিধানযোগ্য— "সাধাৰণভাৱে ক'বলৈ হ'লে, গোস্বামীৰ কেইবাটাও শ্ৰেষ্ঠ গল্পৰ প্ৰধান বিষয়বস্তু হ'ল দ্বন্দ্ব। ব্যক্তি আৰু অৱস্থাভেদে এই দ্বন্দ্বৰ ৰূপ বেলেগ বেলেগ। কেতিয়াবা হৃদয় বৃত্তি বা প্ৰবৃত্তিৰ দ্বন্দ্ব (ৰেলপুৰৰ পুকুত, নলবাম, তাৰা, সন্ন্যাসিনী), কেতিয়াবা সি ব্যক্তি আৰু সমাজৰ মাজত হোৱা দ্বন্দ্ব (ফুলুটা, দৈব পীড়িত, শত্ৰুপক্ষৰ বিয়া)।" 'নলবাম' গল্পটিৰ আৰম্ভণীও এটি বহিৰ্দ্বন্দ্বৰে হৈছে। গল্পৰ নায়ক নলবামে সৈনিক হিচাপে যুদ্ধত ব্যস্ত থকা সময়ত ঘৈণীয়েক ওচৰৰ ভাটিবামৰ লগত পলাই যায়।

সাধাৰণ দৃষ্টিত আমাৰ সমাজত (পুৰুষতান্ত্ৰিক) ঘৈণীয়েক আনৰ লগত পলাই গ'লে পুৰুষজনৰ অভিমানত ডাঙৰ আঘাত লাগে। নিজৰ পুৰুষত্বৰ এনে অপমানত আইনী ব্যৱস্থা বা আইন উপায়েৰে ঘৈণীয়েকক পুনৰ ঘূৰাই আনিবলৈ প্ৰচেষ্টা লোৱা দৃষ্টিগোচৰ হয়। 'নলবাম'ৰ মানসিকতাত তেনে ভাবৰ প্ৰতিফলন স্পষ্টকৈ দেখা নগ'লেও আওপকীয়াকৈ কিছু তাৰ ইংগিত দেখা যায়। নলবামে কণ্ডাক্টৰৰ আগত কৈছে— "ফকুৰক ফকুৰে ধৰাৰ মান ৰাখিছে, মোৰো মান যাবইছে। এতিয়া নিজে থুৰি হৈ এৰি দিছো।" অৱশ্যে, এই ক্ষেত্ৰত নলবামে আইন দহজনৰ দৰে পুৰুষতান্ত্ৰিক মানসিকতাক সিমান ঠাই দিয়া নাই, প্ৰকৃত প্ৰেমৰ বাবেই তেওঁৰ মানসিকতাৰ সলনি হৈছে। যি কি নহওক, গল্পটিৰ আৰম্ভণি এইদৰে এটি বহিৰ্দ্বন্দ্বৰে হৈছে। অৱশ্যে নলবাম চৰিত্ৰটোত অন্তৰ্দ্বন্দ্বৰ প্ৰয়োগেৰে উজ্জ্বল ৰূপত প্ৰকাশ কৰাৰ অধিক সুবিধা থাকিলেও গল্পকাৰে তেনে কৰা দেখা নাযায়।

উৎকণ্ঠা বা ঔৎসুক্যতা সৃষ্টিৰে পাঠকৰ মন পৰিসমাপ্তিলৈকে বান্ধি ৰখাৰ পদ্ধতিটো উৎকৃষ্ট চুটিগল্পৰ এটি প্ৰধান বিশেষত্ব। এইক্ষেত্ৰত গল্পকাৰে সংঘাত সৃষ্টিৰে উৎকণ্ঠা জগাই তোলা দেখা যায়। 'নলবাম' গল্পটিত গল্পকাৰে পাঠকৰ মনত উৎকণ্ঠা সৃষ্টি কৰি সামৰণিলৈ ধৰাই ৰাখিবলৈ সক্ষম হৈছে। নলবামৰ ঘৈণীয়েক ভাটিবামৰ লগত পলাই যোৱাত

চেষ্টা কৰিছে, সেই নদৰামেই আকৌ ঘৈণীয়েকৰ সুখৰ নিমিত্তে পুনৰ ভাটিৰামৰ লগত সংসাৰ কৰিবলৈ ঘৈণীয়েকক যাবলৈ এৰি দিছে। ইয়াৰ মাজতে চৰিত্ৰটিৰ মহানুভৱতা তথা প্ৰকৃত প্ৰেমৰ এটি ৰূপ উজ্বল ৰূপত জিলিকি উঠিছে। চৰিত্ৰটোৰ ব্যক্তিত্বৰ এই আভাই পাঠকৰ মন আলোকিত কৰি তোলে। তেনেদৰে গল্পটিত নদৰাম, হাকিম আৰু বৰচাহাবৰ মাজত যি কথোপকথন দিছে সিয়ে গল্পটিক নাট্যধৰ্মী গুণ প্ৰদান কৰিছে।

বিশিষ্ট সমালোচক হাডচনৰ মতে — Singleness of aim আৰু Singleness of effect — এই দুটা চুটিগল্পৰ অন্যতম বৈশিষ্ট্য। 'লক্ষ্যৰ একমুখিতা' আৰু 'প্ৰতীতিৰ ঐককেন্দ্ৰিকতা' —নদৰাম চুটিগল্পটিত ফুটি উঠা দেখা যায়। 'নদৰাম'ৰ ব্যক্তিত্বৰ মহানুভৱতা দাঙি ধৰাই গল্পটিৰ মূল লক্ষ্য। তেনেদৰে গল্পকাৰে প্ৰকৃত প্ৰেমৰ স্বৰূপ আৰু বাহ্যিক অন্তঃসাৰশূন্য বান্ধোন সম্পৰ্কে যি প্ৰতীতি বা ধাৰণা দাঙি ধৰিছে- সেই ধাৰণা পাঠকৰ মনত গভীৰভাৱে অনুভূত হয়। এই বৈশিষ্ট্য দুটাই চুটিগল্পৰ বাহুল্য বৰ্জন কৰি অনাৱশ্যক কথা এৰি যোৱাত গল্পকাৰক সচেতন কৰি ৰাখে।

চুটিগল্পৰ আন এটি বিশেষত্ব হৈছে স্থান, কাল আৰু ঘটনাৰ ঐক্য। অৱশ্যে স্থান আৰু কালৰ ঐক্য অপৰিহাৰ্য নহয়। কিন্তু ঘটনাৰ ঐক্য নোহোৱাকৈ চুটিগল্প হ'ব নোৱাৰে। বিভিন্ন সময়ত বেলেগ বেলেগ স্থানত ঘটনা ঘটিলেও সেই ঘটনাৰ মাজত এক শক্তিশালী যোগসূত্ৰ থাকিব লাগে। 'নদৰাম' গল্পটিত ঘটনাৰ ঐক্য থকা দেখা যায়। ফ্ৰান্স, ইজিপ্ট, মেছোপটেমিয়া আদি ঠাইলৈ যুদ্ধৰ কামত সৈনিক হিচাপে নদৰাম গৈছে। তেনেদৰে নিজৰ ঠাই গোৱালপাৰালৈ পুনৰ উভতি আহিছে। গতিকে, স্থান বা কালৰ ঐক্য নাথাকিলেও কিন্তু ঘটনাৰাজিক এনেদৰে সাঙুৰি গল্পকাৰে যোগসূত্ৰ ৰক্ষা কৰিছে যে পাঠকৰ মন কেন্দ্ৰীয় ভাবৰ পৰা অকণমানো আঁতৰি যোৱা নাই। গতিকে, এটা বিশেষ মুহূৰ্ত, পৰিস্থিতি বা বিশেষ ঘটনাৰ ৰূপায়ণ চুটিগল্পত থাকিলেও জীৱনৰ দীৰ্ঘ সময়ৰ ৰূপায়ণো থাকিব পাৰে। কিন্তু এনে ৰূপায়ণ নিৰ্ভৰ কৰে গল্পকাৰৰ প্ৰকাশভংগীৰ ওপৰত। এই দিশৰ পৰা 'নদৰাম' এটি সফল গল্প।

সংক্ষিপ্ততা চুটিগল্পৰ অন্যতম বৈশিষ্ট্য। চুটিগল্প কিমান আয়তনৰ হ'ব লাগে সেয়া নিৰ্দিষ্টকৈ কৈ দিব নোৱাৰি যদিও ই চুটি হোৱাটো বাঞ্ছনীয়। এডগাৰ এলেন পোৰ মতে ই আধা ঘণ্টাৰ পৰা এক-ডেৰ ঘণ্টাৰ ভিতৰত পঢ়ি শেষ কৰিব পৰা হ'ব লাগে। তেনেদৰে চমাৰচেট মমৰ মতে, একেটা বৈঠকতে পঢ়ি শেষ কৰিব পৰা গল্পই চুটিগল্প। যি কি নহওক, হ্ৰস্বতা ইয়াৰ অন্যতম ঘাই বৈশিষ্ট্য বুলি ক'ব পাৰি। 'নদৰাম' গল্পটিৰ আয়তনো যথেষ্ট কম। নদৰামৰ জীৱনৰ এটি বিশেষ সময়ৰ বা পৰিস্থিতিৰ ৰূপায়ণ কৰি চৰিত্ৰটিৰ ব্যক্তিত্বৰ এটি দিশ উজলাই তোলা হৈছে।

ভাষাৰ ক্ষেত্ৰত বাহুল্য বৰ্জন কৰি লেখকে যথেষ্ট মিতব্যয়িতা আৰু সংযম ৰক্ষা কৰিব লাগে। সেয়ে ভাষাৰ ইংগিতধৰ্মিতা চুটিগল্পৰ এটি অন্যতম বৈশিষ্ট্য। 'নদৰাম' গল্পটিত লেখকে ভাষাৰ ক্ষেত্ৰত সংযমতা প্ৰকাশ কৰিছে। বৰচাহাবে নদৰামৰ ঘৈণীয়েকক

ভাটিবামক এৰি থৈ পুনৰ নদৰামৰ তালৈ আহিবলৈ আদেশ দিয়াত নদৰামৰ ঘৈণীয়েকৰ মানসিক প্ৰতিক্ৰিয়া কেনে হৈছিল— তাৰ ইংগিত দুই-এষাৰ কথাৰ যোগেদি দাঙি ধৰি নদৰামৰ মানসিক পৰিবৰ্তনৰ কাৰণ গল্পকাৰে দাঙি ধৰিছে। যথা— "পাছে, তাই ছোৱালীজনী কান্দি-কাতি বিয়াকুল হৈছে। কিজানি ভাটিবামক নাপালে তাই আত্মঘাতী হয়। কৈছে, বোলে তাইহে ভাটিবামক এইবোৰ কৰিলে, ভাটিবামৰ কিবা হ'লে তাই নিশ্চয় জীয়াই নেথাকে।"

গতিকে, ওপৰৰ আলোচনাৰ পৰা দেখা যায়— চুটিগল্প শিল্পৰ ফালৰ পৰা 'নদৰাম' এটি সফল গল্প।